# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-09-2024 **Time :** 1715 Hrs

## *Assamese Evening Bulletin*

## HEADLINES

খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কাইলৈ ২৩ হাজাৰ ৯৫৬ গৰাকী উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ঠিকাভিত্তিক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। স্থায়ী নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে বিশেষ নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত যিকোনো ওজৰ আপত্তি দাখিলৰ বাবে কাইলৈৰ পৰা অহা ৮ চেপ্তেম্বৰলৈকে সঞ্চালকালয়ৰ পোৰ্টেল গঞ্জ.সশ্সন.স্কু.তপ মুকলি কৰিব বুলি ঘোষণা কৰিছে। সঞ্চালকালয়ে এটা নিৰ্দেশনাযোগে বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰ বিজ্ঞাপন অনুসৰি আবেদন কৰা ঠিকাভিত্তিক আৰু ষ্টেটপুল শিক্ষকসকলে পোৰ্টেলৰ জৰিয়তে যিকোনো ওজৰ আপত্তি দাখিল কৰিব পাৰিব বুলি জানিবলৈ দিছে। তদুপৰি নথিপত্ৰ পৰীক্ষণ সম্পৰ্কীয় কাৰণত আবেদন স্থগিত ৰখা ৮৩৪ জন প্ৰাৰ্থীয়ে পোৰ্টলত থকা লিংকত ওজৰ আপত্তিৰ লগতে নথিপত্ৰ দাখিল কৰিব পাৰিব। চূড়ান্ত বাচনি তালিকাত স্থান লাভ কৰা শিক্ষকসকলৰ নিযুক্তিপত্ৰ জিলা আৰু বিদ্যালয়ৰ নামৰ ক্ষেত্ৰত কিবা অমিল ধৰা পৰিলে সেই অভিযোগো পোৰ্টেলত সন্নিবিষ্ট হৈ থকা লিংকৰ জৰিয়তে দাখিল কৰিব পাৰিব। প্ৰতিটো ওজৰ আপত্তিৰ বিপৰীতে সমৰ্থিত নথিপত্ৰ দাখিল কৰিব লাগিব। পোৰ্টেলৰ জৰিয়তে দাখিল কৰা নথিপত্ৰসমূহ পৰীক্ষা কৰি যোগ্য প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০০০

গুৱাহাটী মহানগৰী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত কালি সন্ধিয়াৰ পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানে জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰিছে। মহানগৰীখনৰ জু-ৰোড, ৰুক্মিণীগাঁও, পাঞ্জাবাৰী, কাহিলীপাৰা, নুনমাটি, হাতীগাঁও, বেলতলা পথ, যোৰাবাটকে ধৰি কেইবাটাও মূল পথত পানী জমা হোৱাৰ ফলত জনসাধাৰণৰ আহ-যাহত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। ফলত কোনো কোনো ঠাইত জনসাধাৰণ নিজ গৃহত আবদ্ধ হৈ থাকিবলগীয়া হৈছে। মহানগৰীৰ বিভিন্ন স্থানত পথচাৰীৰ লগতে বিশেষকৈ ক্ষুদ্ৰ ব্যৱসায়ীসকল অধিক সমস্যাৰ সন্মুখীন হৈছে। মেঘালয়ৰ পৰা নামি অহা পানীয়ে গুৱাহাটীৰ বিভিন্ন অঞ্চলত বান পৰিস্থিতি জটিল কৰি তুলিছে। বতৰ বিজ্ঞান কেন্দ্ৰ জনোৱা আগজাননী অনুসৰি মহানগৰীখনত আৰু অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইপিনে, গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে মহানগৰীখনত বৰষুণ আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেইবাটাও অঞ্চলত যান-বাহনৰ চলাচল হ্ৰাস কৰিবলৈ নিৰ্দেশ জাৰি কৰছিে। এই অনুসৰি বশিষ্ঠ থানাৰ অন্তৰ্গত বালুঘাট, হাতীগাঁও থানাৰ অন্তৰ্গত লিটিল ফ্লাৱাৰ স্কুল আৰু সিজুবাৰী অঞ্চল, ছাৰ্ভে ৱায়ৰলেছ অঞ্চল, ৰুক্মিণীগাঁও আৰু ৰাজগড় পথেৰে যান-বাহনৰ চলাচল হ্ৰাস কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০০০

নগাঁও জিলাৰ বিভিন্ন অঞ্চলত আজি মীন বিভাগে অভিযান চলাই বিভিন্ন মীন পালন প্ৰকল্প পৰিদৰ্শন কৰে। জিলা মীন বিভাগে জুৰীয়া, দ' গাঁও, গদাইমাৰী, মেলেকা ধিং আদি অঞ্চলৰ পুখুৰীসমূহৰ পানীৰ নমুনা সংগ্ৰহ কৰে। মীন বিষয়াসকলে প্ৰকাশ কৰা মতে অঞ্চলটোৰ মাছৰ পুখুৰীসমূহৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত আজি পানীৰ নমুনা পৰীক্ষা কৰা হয়। বিষয়াসকলে জনোৱা অনুসৰি এই পুখুৰীসমূহত ইউৰিয়া সাৰৰ উপস্থিতি পোৱা হোৱা নাই। অৱশ্যে সংগ্ৰহ কৰা পানীৰ নমুনা পৰীক্ষাৰ পাছতহে প্ৰকৃত তথ্য পোহৰলৈ আহিব বুলি তেওঁলোকে প্ৰকাশ কৰে।

০০০০০

ভাৰতৰ কেইবাগৰাকীও খেলুৱৈ আজি পেৰিছ পেৰালিম্পিকৰ চতুৰ্থ দিনা বিভিন্ন শিতানৰ পদকৰ যুঁজত অৱতীৰ্ণ হৈছে। ৰবি ৰংগোলীয়ে পুৰুষৰ শ্বটপুটত পঞ্চম স্থানত থমকি ৰব লগা হয়। আনহাতে নিশাদ কুমাৰে নিশা প্ৰায় ১০ বাজি ৪০ মিনিটত পুৰুষৰ হাই জাম্পৰ টি-ফৰ্টি চেভেন শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰালিম্পিকৰ মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ এছ এইছ ৱান শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বাবে ৰুবিনা ফ্ৰান্সিছক অভিনন্দন জ্ঞাপন কৰিছে।

আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয় যে, এয়া দেশৰ বাবে সঁচাকৈয়ে গৌৰৱৰ ক্ষণ। ৰুবিনাৰ অসাধাৰণ একাগ্ৰতা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমে উল্লেখনীয় সফলতা কঢ়িয়াই অনা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াও ৰুবিনাক অভিনন্দন জনাইছে।

০০০০০০০

ভাৰতীয় ক্ৰিকেট কণ্ট্ৰল বোৰ্ড -বি চি চি আইয়ে কালি ১৯ বছৰৰ অনুৰ্ধৰ ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত হবলগীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ মালিটি ফৰমেট হোম চিৰিজৰ সময়সূচীৰ ঘোষণা কৰে। জুনিয়ৰ বাচনি সমিতিয়ে ৩ খন ৫০ অভাৰৰ খেল আৰু ২ খন চাৰিদিনীয়া খেলৰ বাবে ১৯ বছৰৰ অনুৰ্ধৰ খেলুৱৈসকলক বাচনি কৰি উলিয়াইছে। মহম্মদ আমনে ৫০ অভাৰৰ বাবে খেলিবলগীয়া দলটোক আৰু চোহম পাটৱৰ্ধনে ৪ দিনীয়া খেলৰ দলটোক নেতৃত্ব দিব। ৫০ অভাৰৰ ৩ খন খেল ২১ চেপ্তেম্বৰৰ পৰা পুডুচেৰীত আৰম্ভ হ'ব আৰু দুখন ৪ দিনীয়া খেল একে মাহৰ ৩০ তাৰিখৰ পৰা চেন্নাইত অনুষ্ঠিত হ'ব।

০০০০০০০০

সমাপ্ত